



১০ বছৰে আন্দোলন কৰা চন্দ্ৰপ্ৰভাক ১৯৩১ চনৰ ৯ জানুৱাৰীত সকলোৰে লগতে গ্ৰেপ্তাৰ কৰিলে। পিচদিনা গুৱাহাটীৰ থানালৈ নি পিচত জে'লত ভৰালে। চন্দ্ৰপ্ৰভাক বাৰে বাৰে অনুৰোধ কৰিছিল আন্দোলন নকৰো বুলি লিখি দিবলৈ— তেতিয়া তেওঁক এৰি দিব। কিন্তু তেওঁ চিঞৰি চিঞৰি কৈ আহিলে— যি জাতিয়ে মৃত্যু আৰু কাৰাগাৰলৈ ভয় কৰে, সেই জাতিয়ে স্বাধীনতা কেতিয়াও ঘূৰাই নাপায়।...

ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামত এগৰাকী সৃষ্টিশীল মহীয়সী

# তেজস্বিনী চন্দ্ৰপ্ৰভা





ৰিণি পাঠক

ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামী মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শৰে উজ্জীৱিত চন্দ্ৰপ্ৰভা শইকীয়ানী আছিল সেই সময়ৰ কামৰূপ জিলাৰ বজালী মহকুমাৰ অতি ভিতৰুৱা দৈ শিঙৰী গাঁৱৰ গাঁওবুঢ়া ৰতিৰাম মজুমদাৰ আৰু গংগাপ্ৰিয়া মজুমদাৰৰ সপ্তম জীয়ৰী। সৰুৰে পৰা অত্যন্ত জ্ঞানপিপাসু চন্দ্ৰপ্ৰিয়া আৰু ভনীয়েক ৰামেশ্বৰী আছিল যথেষ্ট মেধাৱী। সেই সময়ত স্ত্ৰী শিক্ষাক মুঠেই গুৰুত্ব দিয়া নাছিল যদিও পিতৃ-মাতৃয়ে তেওঁলোকক স্কুললৈ পঠাইছিল। এম ভি পাছ গাঁৱত স্কুল এখন খুলি কেইজনমান ছোৱালীক জোৰকৈ স্কুললৈ আনিলে। এসময়ত স্কুলৰ সহ-পৰিদৰ্শকে তেৰ বছৰীয়া ছোৱালী এজনীয়ে স্কুল এখন খুলিছে বুলি জানি পৰিদৰ্শন কৰিবলৈ আহিল। পৰিদৰ্শকে দেউতাকৰ পৰিচয় বিচাৰি তেখেতক লগ ধৰি চন্দ্ৰপ্ৰিয়া আৰু ৰামেশ্বৰীক নগাঁৱৰ মিছন স্কুলত পঢ়োৱাৰ ব্যৱস্থা কৰি দিলে। বিনা বেতনে কাম কৰা ছোৱালীজনীক ছটকা দৰমহাও দিলে নগাঁৱৰ মিছন স্কুলত নাম লগাই চন্দ্ৰপ্ৰিয়া হ'ল চন্দ্ৰপ্ৰভা আৰু ৰামেশ্বৰী হ'ল ৰজনীপ্ৰভা, দিগবাকী মেধাৱী ছাত্ৰী হৈ পৰিছিল অসমৰ প্ৰথম স্ত্ৰী বোৰ্ড পাছ। পিচত নগাঁৱতে এখন প্ৰাইমেৰী স্কুলত চাকৰিও পালে। তাৰ পিচতে তেজপুৰৰ এখন মজলীয়া স্কুলৰ প্ৰধান শিক্ষয়িত্ৰীৰ চাকৰি পালে। অতি কম সময়ৰ ভিতৰতে তেজপুৰৰ বিখ্যাত পৰমানন্দ আগৰৱালাৰ পৰিয়ালৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠিল। জ্যোতিপ্ৰসাদ, অমিয় কুমাৰ দাস আদিৰ লগতো ঘনিষ্ঠতা গঢ়ি উঠিল। সমাজ সংস্কাৰ, ৰাজনৈতিক ভাৱধাৰাই চন্দ্ৰক আগৰৱালা পৰিয়ালৰ বেছি আকৰ্ষণ কৰিলে।

স্বাধীনতা সংগ্ৰামে আৰম্ভ হৈছিল। তেজপুৰত আয়োজন চলিছে অসম ছাত্ৰ সন্মিলনৰ চতুৰ্থ বাৰ্ষিক সভাৰ। জ্যোতিপ্ৰসাদৰ যোগেদি চন্দ্ৰপ্ৰভাই স্বেচ্ছাসেৱিকা বাহিনীৰ কুচ-কাৱাজ শিকোৱাৰ দায়িত্ব পালে। স্বেচ্ছাসেৱিকাসকলে শৃংখলাবদ্ধতাৰে সভাত প্ৰৱেশ কৰা দৃশ্য দেখি ৰাইজে ক'বলৈ বাধ্য হৈছিল, এইগৰাকী কম বয়সীয়া নেত্ৰীয়ে বৰ সুন্দৰ নেতৃত্ব বহন কৰিছে। সেই সভাতে অমিয় কুমাৰ দাসে কানি নিবাৰণৰ বাবে এটি প্ৰস্তাৱ উত্থাপন কৰিছিল আৰু তাক সমৰ্থন কৰিবলৈ ৰাইজে চন্দ্ৰপ্ৰভাক আগবঢ়াইছিল। চন্দ্ৰপ্ৰভাৰ তেজোদীপ্ত ভাষণেৰে ৰাইজৰ মন জয় কৰিব পাৰিছিল।

সকলোৱে উচ্চ প্ৰশংসা কৰাত চন্দ্ৰৰ অন্তৰ ভৰি পৰিছিল। তেনেতে অচিনাকি মানুহ এজনে নমস্কাৰ জনাই ক'লে— আপোনাৰ কানি নিবাৰণী ভাষণে মোক বৰ মুগ্ধ কৰিলে। আপুনি কোন বুলি সোধাত ক'লে— 'মই দণ্ডীনাথ কলিতা, মৰো এজন শিক্ষক।' তেওঁ আছিল অসমৰ এজন সু-সাহিত্যিক। লাহে লাহে অহা-যোৱা কৰি চন্দ্ৰপ্ৰভাক প্ৰেম নিবেদিলে। এসময়ত দুয়োৰে প্ৰেমৰ কোবাল চৌৰে উটুৱাই নি বৈদিক মিলন ঘটালে। কিন্তু সমাজে তেওঁকেই মাত্ৰ দোষী সাব্যস্ত কৰি তেজপুৰৰ পৰা আঁতৰাই পঠালে। দণ্ডীনাথে পিতৃ-মাতৃৰ ভয়ত, সমাজৰ ভয়ত নীচকুৰিয়া চন্দ্ৰক তেজপুৰৰ মন্দিৰত বিয়া পাতিবলৈ লগত ৰাখিব নোৱাৰিলে। তেওঁ হৈ পৰিল একক মাতৃ (single mother), দণ্ডীনাথে কিন্তু তেওঁলৈ জীৱন চিঠি-পত্ৰৰে যোগাযোগ ৰাখি আৰ্থিকভাৱেও সহায় কৰি থাকিল। ১৯২১ চনত মহাত্মা গান্ধীয়ে তেজপুৰলৈ আহি 'পকীত' জিৰণি ল'ব'। সকলোৰে লগতে চন্দ্ৰপ্ৰভায়ো সহায় কৰিলে। তেজপুৰৰ প'ল' ফিল্ডত গান্ধীজীয়ে তেজোদীপ্ত ভাষণ দিলে। গান্ধীজীৰ বিশ্বাস আৰু আহ্বানে সাৰাংগত কৰি চন্দ্ৰপ্ৰভাই গাঁৱে-ভূঞে সভা পাতি নাৰীসকলক উলিয়াই আনিলে। গান্ধীজীয়ে সকলোৱে মিলি গোটাই অনা বিদেশী বস্ত্ৰত জুই লগাইছিল। চন্দ্ৰায়ো বহুত কাপোৰ গোটাই আনি জুইত দিছিল, আনকি নিজৰ কাপোৰযোৰ নিজে বোৱা যদিও বিদেশী সূতা হোৱা বাবে জুইত দিছিল। কিৰণময়ীয়ে চন্দ্ৰইতৰ সহযোগত মহিলাসকলক বোৱা-কটা, চিলাই আদি শিকাই স্ব-নিৰ্ভৰশীল কৰি তুলিছিল। ইয়াৰে পাচতে জ্যোতিৰ সহযোগত পুনৰ চাবিদুৱাৰৰ ৰায়ত সভাত তিনি হেজাৰ মহিলাৰ সমাবেশত তেজোদীপ্ত ভাষণেৰে গান্ধীজীৰ অসহযোগ আন্দোলনৰ প্ৰতি সকলোকে আকৰ্ষণ কৰিছিল। তেজপুৰত ছাত্ৰ সন্মিলনৰ পিচত হোৱা ঘটনাৰ বাবে অপ্ৰসন্ন চন্দ্ৰই চাকৰি এৰিবৰ হৈছিলে। দৈশিঙৰীলৈ গৈ ল'ৰা জন্ম দিয়াৰ কিছুদিন পিচত বজালীলৈ কাৰ্জিকাপাৰাৰ স্কুল এখনলৈ মাতি নি প্ৰধান শিক্ষয়িত্ৰীৰ দায়িত্ব দি ৩০ টকা দৰমহা দিলে। পিচে ১৯২৬ চনত পাণ্ডুৰ কংগ্ৰেছ মহাসভালৈ চন্দ্ৰপ্ৰভাক নিমন্ত্ৰণ কৰিছিল। স্কুলৰ পৰা ছুটী বিচাৰাত কংগ্ৰেছৰ সভাত যোগ দিবলৈ কোনোপধ্যে ছুটী নিদিয়ে। শেষত তেওঁ চাকৰি ইস্তফা দি হ'লেও পাণ্ডুলৈ গৈছে এৱিলে।

১৯২২ চনত গোপীনাথ বৰদলৈ আৰু তৰুণৰাম ফুকনক জে'লৰ পৰা মুক্তি দিওঁতে পতা সম্বৰ্ধনা সভালৈ চন্দ্ৰকো নিমন্ত্ৰণ কৰিছিল। তাতে তেওঁ লগ পাইছিল বিষ্ণুৰাম মেধি, ৰোহিণী কুমাৰ চৌধুৰী আদি স্বাধীনতা সংগ্ৰামীসকলক।

বৰপেটা সাহিত্য সভালৈ নিমন্ত্ৰণ কৰাত তাত গৈ লগ পালেগৈ সংগ্ৰামী ৰাজবালা দাসক। সত্ৰৰ কীৰ্তন ঘৰত সোমাব খোজোঁতে চন্দ্ৰক অস্পৃশ্য জাতিৰ বুলি বাধা দিলে। তেওঁ কৈছিল যি শংকৰদেৱে জাতিভেদ বিচাৰ নকৰি ভাগৱতী ধৰ্ম প্ৰচাৰ কৰিলে— সেই শংকৰদেৱৰ কীৰ্তন ঘৰতে এই জাতিভেদ কিয় থাকিব! তেওঁ কাৰো কথা নামানিলে।

১৯২৫ চনত আকৌ নগাঁও অধিৱেশনলৈ তেওঁক বিশিষ্ট অতিথি হিচাপে মাতিলে। মহিলাসকলক আঁৰ-বেৰ দি বহুৱাই থৈছিল। তেওঁ খঙত অগ্নিশৰ্মা হৈ মহিলাসকলক চিকৰ আঁৰত নাথাকি মুকলিকৈ বহিবলৈ বাধ্য কৰিলে।

১৯২৬ চনত গুৱাহাটীত কংগ্ৰেছৰ পাণ্ডু অধিৱেশনৰ সভাপতি আছিল শ্ৰীনিবাস আয়েংগাৰ। সেইবাৰো গান্ধীজী আহিছিল আৰু আহিছিল। মতিলাল নেহৰু, ছাৰ বল্লভভাই পেটেল, ৰাজেন্দ্ৰপ্ৰসাদ, সৰোজনী নাইডু, আবুল কালাম আজাদ আদি সকলো। সকলোৰে বক্তৃতা শুনি চন্দ্ৰই যেন দেশৰ হকে নিজকে উচৰ্গা কৰিবলৈ আৰু প্ৰেৰণা পালে।

১৯৩০ চনত গান্ধীজীয়ে যেতিয়া পুনৰ আন্দোলন কৰিবলৈ থিৰাং কৰিলে, তেতিয়া বৰপেটাৰ পৰা গোলোক চন্দ্ৰ পাঠক আহি ক'লে— কটন কলেজৰ কাৰ্জন হলত কানিংহাম চাৰ্কোলাৰখনৰ বিৰুদ্ধে পিকেটিং কৰি সভাও পাতিব। তাত আপুনি বক্তৃতা দিব লাগে। তেওঁ নিঃসংকোচে এটা জ্বালাময়ী বক্তৃতা দিলেগৈ। সেই সভালৈকে আবু বকৰ নামৰ ডেকা এজন আহি ক'লে— 'নগাঁৱত আপোনাক সকলোৱে বিচাৰিছে সভাপতি মহম্মদ তৈয়াবুল্লা চাহাবেও অনুৰোধ কৰি পঠাইছে।' তালৈকো গ'ল, সকলোৱে মিলি শোভাযাত্ৰাও উলিয়াইছে। চন্দ্ৰই নিজৰ চাদৰখনকে প্ৰসাৰিত কৰি দান-বৰঙণি বিচাৰিলে— সাত দিন এইদৰে শোভাযাত্ৰা কৰি সংগ্ৰাম চলাই যাবৰ বাবে কুৰি হেজাৰ টকা আৰু চাৰে বাৰ তোলা সোণ তেওঁৰ চাদৰত গোট খালে। চন্দ্ৰই এইবোৰ কাম কৰি দৈশিঙৰীলৈ ঘূৰি গ'ল। তাৰ তিনি দিনৰ পিচতে দেউতাক স্বৰ্গগামী হ'ল। পুত্ৰ অতুলো পুনৰ নিঠৰুৱা হ'ল।

সেই সময়তে বজালী, বৰপেটাত আন্দোলন তীব্ৰতৰ হৈ উঠিল। ল'ৰাবোৰে চন্দ্ৰপ্ৰভা নগ'লেই নহয় বুলি জোৰকৈ লৈ গ'ল। ইফালে তেওঁৰ গ্ৰেপ্তাৰী পৰোৱানা আহি গ'ল। তেওঁ লুকাই লুকাই দিন কটালে। আকৌ বন আইন অমান্য আন্দোলনলৈ মাতি পঠাইছে। দক্ষিণ কামৰূপ আৰু গোৱালপাৰাৰ অটব্য অৰণ্যৰ কাঠনিৰ কাঠবোৰ ল'ৰাবোৰে কাটিছে যাতে চৰকাৰে মূল্যৱান ৰাজহ হেৰুৱায়। চন্দ্ৰই মেখেলা কোঁচাই সাহসেৰে আগবাঢ়ি গ'ল। বকো, চমৰীয়া সত্ৰ পাৰ হৈ কুকুৰমৰাত সজা কেম্পত ৰাতিটো থাকি গুৱাহাটীলৈ যোৱাৰ কথা ভাবিছিল। কিন্তু ১০ বছৰে আন্দোলন কৰা চন্দ্ৰক ১৯৩১ চনৰ ৯ জানুৱাৰীত সকলোৰে লগতে গ্ৰেপ্তাৰ কৰিলে। পিচদিনা গুৱাহাটীৰ থানালৈ নি পিচত জে'লত ভৰালে। চন্দ্ৰক বাৰে বাৰে অনুৰোধ কৰিছিল আন্দোলন নকৰো বুলি লিখি দিবলৈ— তেতিয়া তেওঁক এৰি দিব। কিন্তু তেওঁ চিঞৰি চিঞৰি কৈ আহিলে— যি জাতিয়ে মৃত্যু আৰু কাৰাগাৰলৈ ভয় কৰে, সেই জাতিয়ে স্বাধীনতা কেতিয়াও ঘূৰাই নাপায়। তেওঁক ১ বছৰ ৩ মাহ জে'লত দিলে। পিচত গুৱাহাটীৰ পৰা যোৰহাট জে'ললৈ প্ৰেৰণ কৰিলে।

গান্ধীজীয়ে বৰলাট লৰ্ড আৰউইনৰ লগত এক দীঘলীয়া



আলোচনাত মিলিত হ'ল। ১৯৩১ চনৰ ৫ মাৰ্চৰ দিনা ঐতিহাসিক গান্ধী-আৰউইন চুক্তি স্বাক্ষৰিত হ'ল। এই চুক্তিমৰ্মে সকলোৰে লগতে চন্দ্ৰপ্ৰভায়ো তিনি মাহতে মুক্তি পাই দৈশিঙৰীৰ পুত্ৰ, মাতৃৰ ওচৰ পালেগৈ।

১৯৩১ চনৰ ২৯ মাৰ্চ কৰাচীত হোৱা কংগ্ৰেছৰ সভালৈ নিমন্ত্ৰণ পাই আকৌ তালৈকো গ'ল। সভাৰ সভাপতি আছিল ছাৰ বল্লভ ভাই পেটেল।

তাৰ পৰা ঘূৰি আহি এদিন খবৰ পালে বজালীত থানাৰ দাৰোগাই দুটা ল'ৰা হত্যা কৰিলে। চন্দ্ৰ ৰখই নোৱাৰিলে। যিহেতু বজালী নিজৰ ঠাই, বজালীলৈ গৈ পাঠশালা পাই ডাঃ জিনাৰাম দাসৰ ঘৰত উঠিলগৈ। দাসৰ পৰা গম পালে হেজাৰ হেজাৰ মহিলাই থানা আক্ৰমণ কৰিছে। কাৰো হকা-বধা নামানি গৰুগাড়ীৰে দাৰোগা তুলাৰাম কেওটৰ বহা পালেগৈ। দাৰোগাক ক'লে— 'মোৰ অনুৰোধ, এই অত্যাচাৰ বন্ধ কৰক, এইখন আপোনাৰো জন্মভূমি নহয় জানো?'

মহিলাসকলে নাম প্ৰসংগৰ ছলেৰে নামঘৰত বিৰাট সভা এখনো পাতিছিল, হঠাৎ এ এছ আইসহ এদল পুলিচ আহি নৈবেদ্যৰ সকলো বস্তু ধূলি-বালি পেলাই নষ্ট কৰিলে। চন্দ্ৰপ্ৰভাক হাত এখনত ধৰি চোঁচৰাই লৈ গ'ল। আনখন হাতত মহিলাসকলেও টনা-আঁজোৰা কৰোতে তেওঁ বিবস্ত্ৰা হৈ পৰিল। এ এছ আইজনে নামঘৰত মহিলাৰ দ্বাৰা লাঞ্ছিত হোৱাৰ পোটক তুলিবলৈ লৰালৰিকৈ থানালৈ গৈ চন্দ্ৰপ্ৰভাৰ গালত প্ৰকাণ্ড চৰ এটা মাৰি গঁতিয়াই পেলাই দিলে। হাতৰ বিষ লৈ ৰাতিটো টুল এখনতে বহি থাকিবলগীয়া হ'ল। পিচদিনা বৰপেটালৈ পঠিয়ালে। বৰপেটা জে'ল হাজোতৰ শোচনীয় অৱস্থা দেখি এনেকুৱাকৈ হুলস্থূল লগালে যে তাৰ পৰা গুৱাহাটীৰ জে'ললৈ নিবলৈ বাধ্য হ'ল। গৈ দেখিলে তেওঁৰ তৰুণ পুত্ৰ অতুলো আন্দোলনকাৰী হিচাপে বন্দী হৈ সেইখন জে'লতে আছে— তেওঁ মেট্ৰিক পাছ কৰি কটনত নাম লগাইছিল। গুৱাহাটীৰ জে'লত তিনি মাহ থাকিবলগীয়া হ'ল। ঘৰলৈ গৈ কোনো দিনেই শান্তিৰে থাকিব নোৱাৰে। ভাগিনীয়েকৰ ল'ৰাৰ বেমাৰ হোৱাত গুৱাহাটীলৈ নিবলগীয়া হ'ল। ভালপোৱাৰ পিচত পুনৰ মহিলা সমিতিৰ অধিৱেশন এখন পাতিবৰ বাবে ডাঃ ভুবনেশ্বৰ বৰুৱাৰ, পৰিবাৰ ইন্দুপ্ৰভা, অমলপ্ৰভা, পুষ্পলতা, লীলাধৰ বৰুৱা সকলোৰে লগত আলোচনা কৰিলে। তেওঁ নিজে চাইকেল চলাই চলাই গৈ খবৰ দিয়াত গুৱাহাটীত উৎসৱমুখৰ পৰিবেশ এটাৰ সৃষ্টি হ'ল। সভাপতিত্ব কৰিছিল সু-সাহিত্যিক নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে। তাতেই সিদ্ধান্ত লোৱা হ'ল যে সকলো মহিলা সমিতিয়ে নিজ জিলা মহিলা সমিতিৰ অন্তৰ্ভুক্ত হ'ব লাগিব। তেতিয়াহে এই সমিতি শক্তিশালী হ'ব। তাতেই অসম মহিলা সমিতিৰ নতুন নামকৰণ কৰা হ'ল 'অসম প্ৰাদেশিক মহিলা সমিতি' বুলি। পুনৰ ১৯৪৭ চনত নগাঁৱত শিক্ষাবিদ উষাৰাণী বৰঠাকুৰৰ সভাপতিত্বত এই সমিতিৰ অধিৱেশন পতা হ'ল। এই সভাত বিশেষকৈ শিশু মংগল আৰু প্ৰসূতি মংগলৰ কাৰ্যাৱলীৰ লগতে নিৰক্ষৰতা দূৰীকৰণতো প্ৰাধান্য দিয়া হ'ল। চন্দ্ৰপ্ৰভা শইকীয়ানীক পুনৰ অসম প্ৰাদেশিক মহিলা সমিতিৰ সম্পাদিকাৰ দায়িত্ব দিয়া হ'ল। ১৯৪৭ চনত চন্দ্ৰপ্ৰভায়ে প্ৰথম মহিলা আলোচনী 'অভিযাত্ৰী'— মহিলা সমিতিৰ মুখপাত্ৰ প্ৰকাশ কৰি উলিয়ালে। জীৱনৰ শেষ সময়লৈকে এই কাম কৰিলে। এইবোৰ কামৰ উপৰি তেওঁ আছিল সু-লেখিকা, তেওঁ ৰচনা কৰি উলিয়াইছিল— 'পিতৃভিঠা' 'অপৰাজিতা', 'শেষ আশ্ৰয়', 'ঘৰ জোঁৱাই' আদি উপন্যাস, বহুতো গল্প, কবিতা, প্ৰবন্ধ আদি। ১৯৫৭ চনত বজালীৰ ৰাইজে তেওঁক বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থী হিচাপে থিয় কৰালে। নিৰ্বাচনী সভাত ৰাইজৰ আগত মন পৰশা ভাষণৰ পৰিবৰ্তে পুঁজিপতি শোষক, ব্যৱসায়ীসকলে ৰাইজক শোষণ কৰা বুলি গালিহে পাৰিলে। তেতিয়া তেওঁ জিকে কেনেকৈ!

১৯৫৮ চনৰ ২৭ নৱেম্বৰত উত্তৰ লক্ষীমপুৰৰ বি এ পাছ কৰা বীণা বৰাৰ লগত অতুলৰ বিয়া পাতিছিল। অতুলে কিন্তু তেওঁ 'একক মাতৃ'ৰ সন্তান বুলি কথাটো আগতেই জনালে। সেই সময়ত অতুল শইকীয়া ভাৰতীয় ট্ৰেন্সপ'ৰ্ট ফেডাৰেচনৰ সাধাৰণ সম্পাদক হৈ আছিল। আগৰ বছৰত ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ প্ৰতিনিধি হিচাপে কানাডা, ইংলেণ্ড, জাপান, ৰাছিয়া আদি দেশ ভ্ৰমণ কৰি আহিছিল, যাৰ বাবে চন্দ্ৰপ্ৰভা পুত্ৰ গৰ্বত উথলি উঠিছিল। দুটা নাতি-নাতিনীকো পাই তেওঁৰ অন্তৰ ভৰি পৰিছিল।

১৯৭২ চনত গুৱাহাটীৰ সমষ্টি এটাৰ পৰা নিৰ্বাচনত জিকি অতুল শইকীয়া এম এল এ হ'ল। চন্দ্ৰপ্ৰভাই এদিন নিৰ্বাচনত হাৰি পোৱা দুখখিনি দূৰ হৈ সুখানুভূতিৰে অন্তৰ ভৰি পৰিল। ৰুগীয়া শৰীৰৰ অৱস্থা বেয়া হৈ পৰাত অতুলে মাকক ছাত্ৰীবাৰীৰ মিছন হাস্পতালত ভৰ্তি কৰালে। ডাক্তৰে ক'লে— তেওঁৰ কেন্সাৰ হৈছে। আজীৱন দেশবাসীৰ সেৱাত নিজকে উচৰ্গা কৰা চন্দ্ৰপ্ৰভা শইকীয়ানীক চৰকাৰে ১৯৭২ চনত 'পদ্মশ্ৰী' বঁটাৰে সন্মানিত কৰালে। খবৰটো পাই পুত্ৰক ৰে'লৰ টিকট কৰিবলৈ ক'লে— ২৪ মাৰ্চত দিল্লীত ৰাষ্ট্ৰপতিৰ পৰা বঁটাটো নিজে গ্ৰহণ কৰাৰ আশা। কিন্তু বিধাতাই তেওঁক সেই সুখকণ নিদিলে। ১৬ মাৰ্চ তেওঁৰ জন্মদিন। অতুলে সংজ্ঞাহীন মাকক সেৱা এটা কৰিলে। তেওঁ ভাবিব পৰা নাছিল সেইদিনটোৱেই মাকৰ মৃত্যু দিন হ'ব। পিচদিনা গাঁও-ভূঁইৰ পৰা মানুহ আহি গুৱাহাটী চহৰ ভৰি পৰিল তেওঁলোকৰ মাতৃক শেষ সেৱা এটা কৰি বিদায় জনাবলৈ। মহিলাই শ্মশানযাত্ৰাত ভাগ নল'লেও কিন্তু ইন্দুপ্ৰভা, পুষ্পলতা, গিৰিজা আদি সকলোৱে চকুলো টুকি টুকি অন্তিম যাত্ৰাত ভাগ ল'লে। ভাৰতৰ স্বাধীনতাৰ পঁইসত্তৰ বছৰ পূৰ্তিত এইগৰাকী মহান সংগ্ৰামীলৈ শতকোটি প্ৰণাম জনাইছো।

দূৰভাষ : ৯৪৩৫৩-৫০৩৬৮

ব্ৰিটিছৰ গোলামিৰ বিৰুদ্ধে সৰৱ হোৱা অকুতোভয় দেশপ্ৰাণসকলৰ লেখাই সাধাৰণ জনসাধাৰণৰ মাজত এক নতুন চাঞ্চল্যৰ সৃষ্টি কৰিছিল।...

দেশমাতৃৰ সংকট কালক প্ৰতিভাত কৰা সৃষ্টি 'আনন্দমঠো' সমকালীন সময়ৰ এক শ্ৰেষ্ঠ কীৰ্তি।

ভাৰতৰ জাতীয় কবি মৈথেলীচৰণ গুপ্তই ৰচনা কৰা 'ভাৰত-ভাৰতী' শীৰ্ষক গ্ৰন্থই ভাৰতৰ অতীত গৌৰৱগাথাক প্ৰতিভাত কৰিছিল। কি এক শৌৰ্য-বীৰ্যমান অতীত গাথাক বুকুত সামৰি ভাৰতে সভ্যতাৰ উত্তৰণৰ যাত্ৰাত চলমান হৈ আহিছে, তাক এই গ্ৰন্থত পুনৰ এবাৰ মূৰ্ত কৰি ভাৰতীয় জনগণৰ মাজত স্বাধীনতাৰ দীপ্ত সূৰ্যটো উদয় কৰাৰ প্ৰয়াস কৰিছিল। যি সময়ত ভাৰতত মহিলাৰ সামাজিক কামত অংশগ্ৰহণ দুৰূহ আছিল, সেই সময়তেই কেইগৰাকীমান মহিলাই গান্ধীৰ আদৰ্শৰে দীক্ষিত হৈ স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰিছিল আৰু দেশপ্ৰেমমূলক কবিতাৰে জনতাৰ হৃদয়ত দেশপ্ৰেমৰ ঝংকাৰ তুলিছিল। তাৰ ভিতৰত অন্যতম আছিল 'ভাৰতৰ নাইটিংগেল' সৰোজিনী নাইডু, মহাদেৱী বাৰ্মা আৰু সুভদ্ৰা কুমাৰী চৌহান। দক্ষিণ ভাৰতৰ প্ৰখ্যাত কবি সুব্ৰমন্য ভাৰতীয়েও সেই সময়ত অনেক দেশপ্ৰেমমূলক কবিতা ৰচনা কৰিছিল।



## সংগ্ৰামৰ সাহিত্য

## সংগ্ৰামীৰ সাহিত্য